1

MAYANG ANCHALIK COLLEGE

B.A. 5TH SEMESTER (CBCS)

NAME: IMRANA KHATUN.

SUBJECT: (ASSAMESE)

PAPER CODE: ASM-HC-5016.

ROLL NO: UA-191-340-0200.

প্ৰশ্ন নং ৭/ ৰুক্মিণী হৰণ নাটৰ নাট্যকাৰৰ মৌলিকতা সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ— আমাৰ পাঠ্যপুথি "অসমীয়া নাটক আৰু পৰিবেশন শৈলী"ৰ দ্বিতীয় গোটত ৰচিত শ্ৰীশ্ৰী শংকৰদেৱৰ ৰুক্মিণী হৰণ নাট ৰুক্মিণী হৰণ নাটৰ নাট্যকাৰ শংকৰদেৱৰ মৌলিকতা সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

একাধাৰে কবি, সমাজ-সংস্কাৰক, ধৰ্ম-প্ৰৱৰ্তক, নাট্যকাৰ, অভিনেতা, সংগীতজ্ঞ আৰু পৰম ভক্ত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল ১৩৭১ শক; ইংৰাজী ১৪৪৯ খৃষ্টাব্দ বৰ্তমানৰ নগাঁও জিলাৰ বৰদোৱাত। অসমৰ ধৰ্ম, সমাজ, সুকুমাৰ কলা আৰু সাহিত্যৰ ক্ষেত্ৰত মহাপুৰুষজনাৰ অৱদান তুলনাবিহীন। বহু দেৱতাৰ ঠাইত এক দেৱতাৰ উপাসনাৰ প্ৰৱৰ্তন আৰু নানা ধৰ্ম মতবাদৰ মাজত সবল বিশুদ্ধ বৈষ্ণৱী ধৰ্ম মতবাদ স্থাপন কৰাৰ উদ্দেশ্যে তেখেতে সংস্কৃত বৈষ্ণৱ গ্ৰন্থৰাজিক অৱলম্বন কৰি কাব্য, নাটক গীত আদিৰ ৰচনা কৰি ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত এক নৱজাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। তেখেতৰ ৰচিত গ্ৰন্থসমূহ হ'ল— হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, কীৰ্তন ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম, একাদশ আৰু দ্বাদশ স্কন্ধৰ অনুবাদ, অজামিল উপাখ্যান, বলিছলন, নিমি নৱসিদ্ধ সংবাদ, অনাদিপাতন, ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, গুণমালা, উত্তৰা-কাণ্ড ৰামায়ন, অমৃত-মথন, কুৰুক্ষেত্ৰ, ৬ খন অংকীয়া নাট- পত্নীপ্ৰসাদ, কালীয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ

আৰু ধৰ্ম-বিশ্বাস আৰু ধৰ্মীতত্ত্বসমূহ। উল্লেখিত ৰুক্মিণী হৰণ নাটখনত নাটকাৰ মহাপুৰুষজনাৰ মৌলিকতাই হ'ল আমাৰ আলোচ্য বিষয়।

ৰামৰায়ৰ অনুৰোধ ৰক্ষা কৰি শংকৰদেৱে ৰুক্মিণী হৰণ নাট ৰচনা কৰিছিল আৰু মঞ্চস্থ কৰিছিল। মহাপুৰুষ শংকৰদেৱে নিজে কৈছে —

(ক) "শ্ৰীৰাম ৰায়া
হৰিকো পৰমা ভকতি ৰাগত হেতোন।"

(খ) "শ্ৰীৰাম ৰায়া ভকতি প্ৰেভাত কৰাত কৃষ্ণ নাট নিৰ্মান"।
ৰত্নীকান্ত দেৱশৰ্মা সম্পাদিত ৰুক্মিণী হৰণ নাট,

কথা-গুৰুচৰিতৰ মতে, শংকৰদেৱে পাটবাউসীত থাকোঁতে ভাগৱত আৰু হৰিবংশৰ বিষয়বস্তুৰ মিশ্ৰণত ৰুক্মিণী হৰণ ৰচনা কৰে। উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ কথা-গুৰুচৰিতত 'ৰুক্মিণী হৰণ' কাব্য নে নাট তাৰ স্পষ্ট উল্লেখ নাই। ৰুক্মিণী হৰণ নাটৰ ৰচনা কৰাৰ আগতে সেই একে নামেৰে শংকৰদেৱে একে বিষয়কে লৈ কাব্যও ৰচনা কৰিছিল। কিন্তু ৰুক্মিণী হৰণৰ কাহিনীভাগৰ ৰমনীয়তা আৰু সৌন্দৰ্যৰ উক্ত শ্ৰীবিধ প্ৰতিভা উভয়ৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ মহাপুৰুষজনাই দৃশ্য-শ্ৰাব্য উভয় ৰূপ প্ৰদান কৰাৰ প্ৰয়াসেৰে উক্ত কাহিনীভাগক নাট্যৰূপ প্ৰদান কৰে। প্ৰথমবাৰ ভীষ্ম ভ্ৰমনৰ পৰা মুক্তি আহি ৰুক্মিণী

-হৰণ নাট ৰচনা কৰা বুলি পণ্ডিতসকলে অনুমান কৰিছে। ৰুক্মিণী হৰণ নাটখনিৰ নাট্যকাৰে নিজেই নাটকৰ ভিতৰতে প্ৰধান বুলিছে — "ৰুক্মিণী হৰণ নাট পৰধান কৃষ্ণ কিংকৰ ইহি শংকৰে ভাণ।" ৰুক্মিণী হৰণ কাব্যৰ সংক্ষিপ্ত নাট্যৰূপ ৰুক্মিণী হৰণ নাটত ভাগৱত পুৰাণ আৰু হৰিবংশৰ প্ৰভাৱ সুস্পষ্ট। মহাপুৰুষজনাই কাহিনীভাগ ভাগৱত পুৰাণৰ পৰা গ্ৰহণ কৰি একাধিক পৰিস্থিতিৰ ক্ষেত্ৰত হৰিবংশৰ সফল সংমিশ্ৰণ কৰি নাটখনি ৰচনা কৰিছে। নাটখনৰ পৰিস্থিতি চিত্ৰণ আৰু কাহিনী বিন্যাসত নাট্যকাৰে যথেষ্ট মৌলিকতা প্ৰদৰ্শন কৰাৰ লগতে স্থানীয় ৰকুণ সংযোগ কৰি নব্য ৰূপত এই নাটখন ৰচনা কৰিছে।

নাটৰ আৰম্ভণিতে পৰিবেশন কৰা নান্দী শ্লোকটি, নাটৰ বিভিন্ন স্থানত উপস্থাপন কৰা শ্লোক, গীত, পয়াৰ নাটৰ আৰম্ভণিতে সংযোগ কৰা ভটিমা আৰু কাহিনী শেষৰ পৰিসমাপ্তিত পৰিবেশন কৰা মুক্তিমংগল ভটিমা আদি শংকৰৰ স্বকীয় সৃষ্টি।

ভাগৱত পুৰাণৰ ৰুক্মিণী হৰণ কাহিনী শেষৰ লগত উদ্ধৱ জড়িত নহয়। কিন্তু শংকৰদেৱে উদ্ধৱৰ সৈতে [illegible] শ্ৰীকৃষ্ণক প্ৰথম ৰংগালয়ত প্ৰৱেশ কৰাইছে — "আহে সভাসদ, যাকেৰি কথা কহিছি, ওহি শ্ৰীকৃষ্ণ উদ্ধৱ সহিতে আয়ত, এ আওত।" ভাগৱত পুৰাণৰ মতে ৰজা ভীষ্মকৰ পাঁচজন পুত্ৰ আৰু এগৰাকী কন্যা। ইমাৰ বিদৰী

হৰিবংশৰ বিষ্ণুপুৰাণৰ মতে বিদৰ্ভাধিপতিৰ এজন পুত্ৰ আৰু এগৰাকী কন্যা। শেষোক্তৰ অনুকূলে যে শংকৰদেৱে কিন্তু শংকৰদেৱৰ পঞ্চপুত্ৰৰ উল্লেখ কৰা নাই। এই প্ৰসংগত নাটখনে হৰিবংশৰ ওপৰত নিৰ্ভৰ কৰিছে। সেইদৰে পুৰাণৰ মতে প্ৰথমতে লোকৰ ভৰিষ্যতে শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীয়ে পৰস্পৰৰ ৰূপ-গুণৰ বিষয়ে শুনি উভয়ে উভয়ৰ প্ৰতি আকৃষ্ট হৈছিল।

“গোপাশ্ৰুত্য মুকুন্দস্য
ৰূপবীৰ্য গুণাশ্ৰিয়ঃ
গৃহাগতে গীয়মানাস্তং
মেনে সদৃশং পতিম্।”

শংকৰদেৱে সেইদৰে পুৰাণত উল্লেখিত উক্ত গৃহস্থত দুজনৰ নাম ৰাখিছে ক্ৰমে সুমতি ভাট আৰু হৰিদাস ভাট। সুমতি ভাটে কুণ্ডিলৰ পৰা দ্বাৰকালৈ গৈ ৰাজপুত্ৰী ৰুক্মিণীৰ ৰূপ-যৌৱন আৰু গুণ আদি বৰ্ণনা কৰিছে। স্বয়ং কৃষ্ণৰ সন্মুখত বৰ্ণনা কৰা এই ভটিমা-গীতৰ ফলশ্ৰুতিত ৰুক্মিণীৰ প্ৰতি শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ সৃষ্টি হৈছে। তেনেদৰে হৰিদাস ভাটৰ দ্বাৰা পৰিবেশিত ভটিমাৰ সংযোগত দেৱী ৰুক্মিণীৰ অন্তৰতো কৃষ্ণৰ প্ৰতি পূৰ্বৰাগৰ উদয় হৈছে। মূল ভাগৱতক ৰুক্মিণী-চৰণ নাটত আৰোপিত পূৰ্বৰাগৰ চিত্ৰ কাব্যিক অথচ স্বাভাৱিক, আনহাতে কৃষ্ণৰ আদেশত উদ্ধৱে সুমতি ভাটক মন কৰাই প্ৰসাদ দিয়া আৰু ৰুক্মিণীৰ নিৰ্দেশ মতে মদনমঞ্জৰীয়ে হৰিদাস ভাটক ধন-সোণ দিয়া পৰিস্থিতিৰ চিত্ৰণ শংকৰদেৱৰ নিজা সৃষ্টি। সেইয়াতৰ মতে, ভীষ্মক আৰু বন্ধু-

বাল্যকালে কৃষ্ণৰ লগত ৰুক্মিণীৰ বিয়া দিবলৈ ইচ্ছা কৰিছিল। শংকৰদেৱে সেয়েহে কাহিনীটো লৈছে যদিও ৰুক্মিণীৰ বাবে যোগ্য পাত্ৰ নিৰ্বাচন সম্পৰ্কত যথেষ্ট মৌলিকতা প্ৰদৰ্শন কৰিব পাৰিছে।

ভাগৱত পুৰাণ, হৰিবংশ বা বিষ্ণু পুৰাণত ভীষ্মক নৃপতিৰ পত্নী অথবা ৰুক্মিণীৰ মাতৃৰ নামো উল্লেখ পোৱা নাযায়। ৰুক্মিণী হৰণ নাটকত ভীষ্মকৰ পত্নী আৰু ৰুক্মিণীৰ মাতৃৰ নাম ৰখা হৈছে শশীপ্ৰভা। তেনেদৰে ৰুক্মিণীৰ সখী লীলাৱতীও শংকৰদেৱৰ মানস কন্যা। ভাগৱত আদিত লীলাৱতীৰ চৰিত্ৰৰ সংকেত পোৱা নাযায়। পাত্ৰ মন্ত্ৰী, জ্ঞাতি আৰু পত্নী সম্বাদে শশীপ্ৰভাৰ অনুমোদন সাপেক্ষে কুণ্ডিল অধিপতি ভীষ্মকে কন্যাৰত্ন ৰুক্মিণীক কৃষ্ণৰ লগত বিয়া দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি লীলাৱতীয়ে সখী ভীষ্মক নন্দিনীক দিয়ে। আশাৰ কুসুম বিকশিত হোৱাৰ সন্ধিক্ষণত কৃষ্ণ প্ৰেমিকা ৰুক্মিণীয়ে আনন্দৰ আতিশয্যত নৃত্য-গীত কৰি নিজকে সৌভাগ্যৱতী ৰূপে অভিহিত কৰা পৰিস্থিতিৰ চিত্ৰণ শংকৰদেৱৰ স্বকীয় সৃষ্টি। ভাগৱত পুৰাণ, হৰিবংশ নাইবা বিষ্ণু পুৰাণত কৃষ্ণ-ৰুক্মিণীৰ মিলন প্ৰসংগত প্ৰধান অন্তৰায় ৰূপে ভূমিকা গ্ৰহণ কৰিছিল ৰুক্মিণীৰ জ্যেষ্ঠ ভ্ৰাতৃ ৰুক্মই, কাৰণ তেওঁ চেদীৰাজ শিশুপাললৈহে ৰুক্মিণীক বিয়া দিবলৈ সিদ্ধান্ত কৰিছিল।

শংকৰদেৱে অসমৰ লোকসমাজত সদাসৰ্বদায় দেখা বৰফুৱৰ মহিমতালিৰ লগত সম্পৰ্ক ৰাখি ৰুক্মী চৰিত্ৰ আৰু তেওঁৰ কাৰ্য্যৱলী বৰ্ণনা কৰিছে। পাত্ৰ মন্ত্ৰী, জ্ঞাতি-মিত্ৰ আৰু

পিতৃ-মাতৃৰ সিদ্ধান্ত বাতিল কৰি একপক্ষীয়ভাৱে সিদ্ধান্ত কৰিব প্ৰস্তুত কৰিব পৰা ভেকোৱাল ৰুক্মৰ চিত্ৰিত কৰাৰ ক্ষেত্ৰত শংকৰদেৱে যথেষ্ট মৌলিকতা দেখুৱাব পাৰিছে।

মূল গ্ৰন্থকেইখনত চেদীৰাজ শিশুপাললৈ ৰুক্মিণীক বিয়া দিবলৈ ৰুক্মই প্ৰতিজ্ঞা কৰা নাই। ৰুক্মিণী হৰণ নাটকত ৰুক্মই কিন্তু ভীষণ প্ৰতিজ্ঞা কৰিছে। ভাগৱত পুৰাণৰ মতে, চেদীৰাজৰ লগত ৰুক্মিণীক বিয়া দিবলৈ ৰুক্মই একপক্ষীয় সিদ্ধান্ত লোৱাৰ বাতৰি ভীষ্মক নদি নীয়া লৈছে। ৰুক্মিণী হৰণ নাটকত এই বাতৰি ৰুক্মিণীক পাইছে। কিন্তু ৰুক্মিণী হৰণ নাটকত দিছে মদনমঞ্জৰীয়ে।

বেদনিধিৰ নাম-ধাম আৰু পোছাক পৰিচ্ছদ চিত্ৰণ শংকৰদেৱৰ মৌলিক সৃষ্টি। মূল গ্ৰন্থকেইখনত ৰুক্মিণীৰ পত্ৰ-সন্দেশৰ বিষয়বস্তুৰ প্ৰতি আকৃষ্ট হৈ শ্ৰীকৃষ্ণই ব্ৰাহ্মণক কৈছিল যে তেওঁৰ মন ৰুক্মিণীতে মজি আছে। ৰুক্মিণীৰ চিন্তাত তেওঁৰ চকুত টোপনি নাই। ভাগৱতৰ এই বৰ্ণনাৰ উপৰিও নিজৰ কৰি শংকৰদেৱে কৃষ্ণৰ ৰুক্মিণীৰ বিৰহত নিত শোকৰ চিত্ৰ মৰ্মস্পৰ্শীভাৱে পৰিৱেশন কৰিছে। কুণ্ডিল নগৰ অভিমুখে পৱন বেগে কৃষ্ণও ৰথত যাত্ৰা কৰা অৱস্থাত দূত ব্ৰাহ্মণ অৰ্থাৎ বেদনিধিৰ শ্ৰান্তি ভংগ হোৱাৰ বৰ্ণনা ভাগৱত পুৰাণ আৰু হৰিবংশ নাইবা বিষ্ণু পুৰাণতো পোৱা নাযায়। এনে কাব্যভংগী সৃষ্টি কৰা জন নিশ্চিতে শ্ৰেয় নাট্যকাৰ নিশ্চয়।

ভাগৱত পুৰাণৰ মতে, কন্যা ৰুক্মিণীক হৰণ কৰিবলৈ শ্ৰীকৃষ্ণই অকলশৰে কুণ্ডিললৈ গৈছিল শুনি ভৈষ্মকে

হৈ আপ্লুত বলৰামে সৈন্যবাহিনীৰ সৈতে মাধৱৰ সহায়ৰ বাবে কুণ্ডিনপুৰলৈ যাত্ৰা কৰে। অৱশ্যে অম্বিকা নাথ বৰা সম্পাদিত 'ৰুক্মিণী হৰণ নাট' আৰু কালীৰাম মেধি সম্পাদিত 'অংকাৱলী'ত কৃষ্ণৰ সাহায্যাৰ্থে বলৰামে সৈন্য যাত্ৰা কৰা কথাৰ উল্লেখ নাই যিযাক্তি কুমাৰ কৰৰায়ৰ দ্বাৰা সম্পাদিত 'ৰুক্মিণী হৰণ নাট'ত এই ঘটনাৰ উল্লেখ আছে। যদি এই পাঠ সমীচীন বুলি ধৰা হয়, তেন্তে নাট্যকাৰৰ মৌলিকতাৰ আভাস পোৱা যাব। মূল ভাগৱতত বলৰামে স্বতঃপ্ৰণোদিত হৈ ভায়েকৰ চেনেহত অনুসৰণ কৰা কথা উল্লেখ আছে কিন্তু নাট্যকাৰে মাত্ৰ দেৱকীয়ে পুত্ৰস্নেহত কাতৰ হৈ বলৰামক কৃষ্ণৰ সাহায্যাৰ্থে পঠোৱা বুলি কৈছে। ৰুক্মিণীৰ নবীন ৰূপ যৌৱন দেখি বহুতো ৰজা কাম বাণত মূৰ্চ্ছিত হৈ আসনৰ পৰা ঢলি পৰাৰ উল্লেখ ভাগৱতত আছে, কিন্তু সেই সময়ত ৰুক্মিণীৰ সমী সংকল্পকৰ আচৰণ শংকৰদেৱৰ নিজৰ সৃষ্টি। সেইদৰে মূল কাহিনী অক্ষুন্ন ৰাখি তাৰ পৰিসৰৰ ভিতৰতে প্ৰতিভাশালী নাট্যকাৰে নিজস্ব কল্পনা আৰু মৌলিকতাৰ ৰহণ সানিছে।

এইদৰে শংকৰদেৱে ৰুক্মিণী হৰণ নাটৰ কাহিনীভাগ ভাগৱত পুৰাণৰ পৰা গ্ৰহণ কৰি মূল কাহিনীভাগৰ ৰূপৰেখা অব্যাহত ৰাখি তাৰ মাজতে স্বকীয় মৌলিকতাৰ আভাস দিবলৈ সক্ষম হৈছে। ৰুক্মিণী হৰণ নাটত পৰিৱেশন কৰা শাস্ত্ৰীয় ৰাগ-তালযুক্ত গীতবাদ্য নাট্যকাৰৰ মৌলিকতাৰ নিদৰ্শন।